NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

Date : 26-11-2025 **Time :** 19-10 Hrs

Assamese Evening Bulletin
Headlines

oooooo

১। ৰাষ্ট্রপতি দ্রৌপদী মুর্মুৱে কয়, যে ভাৰতীয় ন্যায়পালিকাই পৰিৱর্তীত পৰিস্থিতি আৰু প্রত্যাশাৰ সৈতে খাপ খোৱাই ন্যায় ব্যৱস্থাৰ মৌলিক আদর্শবোৰ শক্তিশালী কৰি আহিছে।

২। দেশৰ সংবিধানখন কেৱল শাসন ব্যৱস্থাৰ পথ প্রদর্শক নহয়, ই জনসাধাৰণৰ আশা-আকাংক্ষা আৰু মূল্যবোধক প্রতিফলিত কৰে বুলি গৃহমন্ত্রী অমিত শ্বাহে প্রকাশ কৰিছে।

৩। মুম্বাইত ২০০৮ চনৰ ২৬ নৱেম্বৰত পাকিস্তানী সন্ত্রাসবাদীৰ আক্রমণত প্রাণ হেৰুওৱা লোকসকললৈ আজি দেশজুৰি শ্রদ্ধা নিবেদন কৰা হৈছে।

৪। ড০ এছ্ জয়শংকৰে আজি ছেচিলছৰ বিদেশ মন্ত্রী বেৰী ফাউৰৰ সৈতে বহু গুৰুত্বপূর্ণ বিষয়ত আলোচনাত মিলিত হয়।

আৰু

৫। এছিয়া কাপ ৰাইজিং ষ্টাৰ প্রতিযোগিতাৰ প্রথমখন ছেমিফাইনেলত আজি ভাৰত-এ শ্রীলংকা-এক জয়ৰ বাবে ৩১৮ৰানৰ লক্ষ্য বান্ধি দিছে।

oooooo

ৰাষ্ট্রপতি দ্রৌপদী মুর্মুৱে কয়, যে ভাৰতীয় ন্যায়পালিকাই পৰিৱর্তীত পৰিস্থিতি আৰু প্রত্যাশাৰ সৈতে খাপ খোৱাই ন্যায় ব্যৱস্থাৰ মৌলিক আদর্শবোৰ শক্তিশালী কৰি আহিছে। নতুন দিল্লীত উচ্চতম ন্যায়ালয়ৰ দ্বাৰা সংবিধান দিৱস উপলক্ষে আজি সন্ধিয়া আয়োজিত এটা অনুষ্ঠানত অংশগ্রহণ কৰি ৰাষ্ট্রপতিগৰাকীয়ে এই মন্তব্য কৰে।

সংবিধানখন কেৱল শাসন ব্যৱস্থাৰ পথ প্রদর্শক নহয়, ৰৰং সংবিধানখনে দেশৰ জনসাধাৰণৰ আশা-আকাংক্ষা আৰু মূল্যবোধক প্রতিফলিত কৰে বুলি গৃহমন্ত্রী অমিত শ্বাহে প্রকাশ কৰিছে। নতুন দিল্লীত সংবিধান দিৱস উপলক্ষে আয়োজন কৰা এটা অনুষ্ঠানত অংশগ্রহণ কৰি শ্রীশ্বাহে কয়, যে সংবিধানখনক সন্মান কৰাটো প্রতিগৰাকী ভাৰতীয়ৰ বাবে গুৰুত্বপূর্ণ আৰু গৌৰৱময় দায়িত্ব। ২০১৫ চনত প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে প্রতিবছৰে ২৬ নৱেম্বৰৰ দিনটো সংবিধান দিৱস হিচাপে উদযাপন কৰা হ'ব বুলি সিদ্ধান্ত গ্রহণ কৰাৰ কথাও গৃহমন্ত্রীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে এই দিৱস উদযাপনৰ দ্বাৰা সংবিধানৰ মূল্যবোধ দেশৰ প্রতিখন বিদ্যালয়, মহাবিদ্যালয় তথা জনসাধাৰণৰ মাজলৈ আগবঢ়াই দিব পৰা যাব।

লোকসভা অধ্যক্ষ ওম বিৰলাই কয়, যে দেশৰ সংবিধান কেৱল আইন নহয়, ৰৰং সংবিধানখন হৈছে দেশৰ গণতান্ত্রিক নীতি-নিয়ম, জাতীয় ঐক্য আৰু সমূহীয়া আকাংক্ষাৰ ভেটি। সংবিধানে বৈচিত্র্যৰ মাজত ঐক্যৰ এনাজৰী সুদৃঢ় কৰা বুলিও তেওঁ উল্লেখ কৰে। নতুন দিল্লীত সংবিধান দিৱসৰ কার্যসূচীত অংশগ্রহণ কৰি

শ্রীবিৰলাই কয়, যে সংবিধানে দেশৰ সংসদীয় গণতন্ত্ৰৰ ভেটি গঢ়িছে আৰু শান্তি, সমৃদ্ধি আৰু প্ৰগতিৰ পথ সূচল কৰিছে।

উল্লেখযোগ্য যে, ভাৰতৰ সংবিধান গৃহীত হোৱাৰ ৭৭ সংখ্যক বছৰ উপলক্ষে সংবিধানৰ নীতি আৰু প্ৰমূল্যসমূহ সন্দৰ্ভত জনসাধাৰণক সজাগ কৰাৰ বাবে আজি সমগ্ৰ দেশতে সংবিধান দিৱস পালন কৰা হৈছে। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতৰ সংবিধান গৃহীত হৈছিল আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে সংবিধান কাৰ্যকৰী কৰা হৈছিল। ২০১৫ চনৰ পৰা সংবিধানৰ নীতিসমূহৰ প্ৰতি জনসাধাৰণৰ সমন্বিত দায়বদ্ধতাৰ বাবে আহ্বান জনাই এই দিৱস পালন কৰি অহা হৈছে।

সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ে আজি এই দিৱস উপলক্ষে মাই গভ প'ৰ্টেলযোগে ২৩টা ভাষাত সংবিধানৰ প্ৰস্তাৱনা অনলাইন পাঠ কৰোৱাৰ ব্যৱস্থা কৰিছে। ইংৰাজীৰ উপৰি সংবিধান স্বীকৃত ২২টা ভাষাত এই পাঠ কৰোৱাৰ ব্যৱস্থা কৰা হৈছে। এই দিৱস উপলক্ষে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ লগতে স্বায়ত্তশাসিত অঞ্চল আৰু প্ৰতিষ্ঠানসমূহৰ সহযোগত ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০

ভাৰতত থকা বহু কেইখন দেশৰ দূতাবাসসমূহত ২০০৮ চনৰ ২৬ নৱেম্বৰত মুম্বাইৰ কেইবাটাও গুৰুত্বপূৰ্ণ স্থানত পাকিস্তানী সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলক শ্ৰদ্ধা নিবেদন কৰাৰ লগতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজখনত ভাৰতৰ সৈতে একেলগে থকাৰ নিশ্চিতি প্ৰদান কৰে। ফ্ৰান্সৰ দূতাবাসে দুজন ফ্ৰান্সৰ নাগৰিককে ধৰি নিহত লোকসকলক স্মৰণ কৰে।

সামাজিক মাধ্যমত ইৰাণৰ দূতাবাসৰ ফালৰ পৰা প্ৰকাশ কৰা এটা বাৰ্তাত ২৬/১১ আক্ৰমণৰ ঘটনাত নিহতসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰদূত মেৰিআনো ককিনোৱেও ভাৰত চৰকাৰ আৰু জনসাধাৰণৰ সৈতে একাত্মতা প্ৰকাশ কৰাৰ লগতে সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাটোত প্ৰাণ হেৰুওৱা লোকসকললৈ শ্ৰদ্ধা নিবেদন কৰে।

ইপিনে, মহাৰাষ্ট্ৰৰ ৰাজ্যপাল জিষ্ণুদেৱ বাৰ্মা, মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছ আৰু উপ মুখ্যমন্ত্ৰী সুনেত্ৰ অজিত পাৱাৰেও মুম্বাইৰ কেইবাটাও গুৰুত্বপূৰ্ণ স্থানত পাকিস্তানী সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলক শ্ৰদ্ধা নিবেদন কৰে। সন্ত্ৰাসবাদীৰ সৈতে যুঁজি প্ৰাণ আহুতি দিয়া আৰক্ষীসকলৰ স্মৃতিত নিৰ্মাণ কৰা মুম্বাই আৰক্ষী শ্বহীদ স্মাৰকত মাল্যৰ্পণ কৰে। এই অনুষ্ঠানতে ৰাজ্যপাল জিষ্ণুদেৱ বাৰ্মাই শ্বহীদসকলৰ আত্মীয়ৰ সৈতেও মত বিনিময় কৰে।

২০০৮ চনৰ ২৬ নৱেম্বৰত মুম্বাইৰ সংঘটিত পাকিস্তানী সন্ত্ৰাসবাদীৰ আক্ৰমণত শতাধিক নিৰীহ লোকে প্ৰাণ হেৰুওৱা ঘটনাৰ ভয়াৱহ স্মৃতি সুঁৱৰি আজিৰ দিনটো সমগ্ৰ দেশতে ক'লা দিৱস হিচাপে পালন কৰা হৈছে। এই আক্ৰমণে সমগ্ৰ দেশক শোকস্তব্ধ কৰি তুলিছিল। এই ঘটনাৰ আজি ১৮ বছৰ সম্পূৰ্ণ হ'ল। ৬০ ঘণ্টা জোৰা এই আক্ৰমণৰ ঘটনাত লস্কৰ-ই-তৈবা নামৰ সন্ত্ৰাসবাদী সংগঠনৰ ১০ জন অস্ত্ৰ-শস্ত্ৰধাৰী সদস্যৰ গুলীত মুঠ ১৬৬ জন লোকে প্ৰাণ হেৰুৱাইছিল আৰু তিনি শতাধিক আহত হৈছিল। এই সন্ত্ৰাসবাদীকেইজনৰ ভিতৰত ৯ জন নিহত হৈছিল আৰু আজমল কাছাব নামৰ সন্ত্ৰাসবাদী জনক কৰায়ত্ত কৰি পাছত মৃত্যুদণ্ডৰে দণ্ডিত কৰা হৈছিল। আজি এই শোকাৱহ ঘটনাৰ ১৮ বছৰ পূৰ্ণ হোৱা উপলক্ষে এই দিনটোত প্ৰাণ হেৰুওৱা লোকসকলক

দেশবাসীয়ে শ্রদ্ধাৰে সুঁৰৰিছে। এই দিনটোৱে সন্ত্রাসবাদৰ ভাবুকি প্ৰতিহত কৰি ৰাষ্ট্ৰীয় সুৰক্ষা শক্তিশালী কৰাৰ বাবে সতৰ্ক হৈ থকাৰ সকিয়নি দিয়ে। ভাৰতে সন্ত্রাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰি সন্ত্রাসবাদী কাৰ্যকলাপ ৰোধ কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ছেচিলছৰ বিদেশ মন্ত্ৰী বেৰী ফাউৰৰ সৈতে নতুন দিল্লীত বৈঠকত মিলিত হয়। স্বাস্থ্য, যোগাযোগ, দক্ষতা বিকাশ, শক্তি, চাইবাৰ আৰু কৃত্ৰিম বুদ্ধিমত্তা আদি বিষয়ত দুয়োখন দেশৰ সম্পৰ্কৰ শক্তিশালী কৰাৰ লগতে কৌশলগত সহযোগিতা বৃদ্ধি বিষয়ত আলোচনা কৰা হয়। দুয়োগৰাকী মন্ত্ৰীয়ে লগতে ভাৰত মহাসাগৰীয় ৰিং সংস্থা আৰু বিভিন্ন আঞ্চলিক বিষয়তো পৰ্যালোচনা কৰে।

তদুপৰি, ড০ এছ্ জয়শংকৰে আজি মৰিচাছৰ বিদেশ মন্ত্ৰী ধনঞ্জয় ৰামফুলৰ সৈতেও বৈঠকত মিলিত হয়। তেওঁলোকে বিশেষ অৰ্থনৈতিক সহযোগিতা বৃদ্ধিৰ বিষয়ত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাত মত প্ৰকাশ কৰে। মন্ত্ৰী দুগৰাকীয়ে ভাৰত আৰু মৰিচাছৰ কৌশলগত সহযোগিতা বৃদ্ধিৰ লগতে ভাৰতৰ **মহাসাগৰ নীতি আৰু প্ৰতিবেশী প্ৰথম নীতি**ৰ জৰিয়তে মৰিটিয়াছৰ উন্নয়নৰ বাবে কাম কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও দোহাৰে।

০০০০০০

কেন্দ্ৰীয় মহিলা আৰু শিশু কল্যাণ মন্ত্ৰ্যালয়ে কাইলৈ নতুন দিল্লীত ৰাষ্ট্ৰীয় পৰ্যায়ৰ বাল্যবিবাহ মুক্ত ভাৰত শীৰ্ষ অনুষ্ঠানৰ আয়োজন কৰিব। ২০২৪-ৰ ২৭ নৱেম্বৰত আৰম্ভ হোৱা বাল্যবিবাহ মুক্ত ভাৰত অভিযানৰ দ্বিতীয় বৰ্ষপুৰ্তি উপলক্ষে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানটোৰ মূল লক্ষ্য হৈছে সমগ্ৰ চৰকাৰ আৰু সমগ্ৰ সমাজ দৃষ্টিভংগীৰে সমাজৰ পৰা বাল্যবিবাহ সম্পূৰ্ণৰূপে নিৰ্মূল কৰা। মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি অনুষ্ঠানটোত ৰাজ্যসমূহৰ লগতে কেন্দ্ৰীয় শাসিত অঞ্চল, বিভিন্ন মন্ত্ৰ্যালয় তথা বিভাগসমূহ, শিশু কল্যাণ সমিতিৰ সদস্যসকল, ৰাষ্ট্ৰীয় আইনীসেৱা কৰ্তৃপক্ষ আৰু নাগৰিক সমাজ সংগঠনৰ প্ৰতিনিধিসকলে অংশ ল'ব।

মন্ত্ৰ্যালয়ে উল্লেখ কৰা অনুসৰি ৰাষ্ট্ৰ সংঘই ২৭ নৱেম্বৰক শিশুৰ আগতীয়া আৰু বলপূৰ্বক বিবাহ নিৰ্মূলৰ আন্তঃৰাষ্ট্ৰীয় দিৱস হিচাপে ঘোষণা কৰাৰ সৈতে সংগতি ৰাখি কাইলৈ অনুষ্ঠানটোৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে, বাল্যবিবাহ মুক্ত ভাৰত অভিযান আৰম্ভ হোৱাৰে পৰা এই অভিযানে সজাগতা সৃষ্টি, বাল্যবিবাহ প্ৰতিৰোধ বিষয়াৰ প্ৰতিষ্ঠানিক ব্যৱস্থাক শক্তিশালী কৰা, ছোৱালী শিক্ষা, সবলীকৰণ আৰু কল্যাণৰ দিশত গুৰুত্ব আৰোপ কৰি আহিছে। দেশৰ জনসাধাৰণ তথা বিভিন্ন অনুষ্ঠানক এই অভিযানৰ অংশ হৈ এখন বাল্যবিবাহ মুক্ত ভাৰত গঢ়িবলৈ মন্ত্ৰ্যালয়ৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তাৰকা বেডমিণ্টন খেলুৰৈ পি ভি সিন্ধুৰ এটা লেখা সামাজিক মাধ্যম যোগে প্ৰকাশ কৰিছে। অলিম্পিকৰ সপোনটোৱে কিদৰে দেশৰ বিভিন্ন প্ৰান্তৰ মহিলাসকলৰ বাবে নতুন সুযোগৰ সৃষ্টি কৰিছে সেই সম্পৰ্কে লিখা লেখাটো প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয়, যে ২০৩৬ চনৰ অলিম্পিক আয়োজন কৰি দেশৰ মহিলাসকলৰ সবল অংশগ্ৰহণ,ক্ৰীড়া আন্তঃগাঁথনি শক্তিশালী কৰা আৰু মহিলাসকলক

আর্থিক স্বাধীনতা প্রদান কৰিবলৈ থকা দেশৰ সপোনৰ কথা লেখাটোত প্রতিফলিত হৈছে। শ্রীসিন্ধুৰে লগতে নতুন প্রজন্মৰ মহিলা খেলু�ৱৈসকলক অনুপ্রাণিত কৰিবলৈ চৰকাৰে লোৱা অস্মিতা পদক্ষেপৰো শলাগ লয়।

০০০০০০

ৰাষ্ট্রীয় দুগ্ধ দিৱস উপলক্ষে আজি অসমৰ ৰাজধানী দিছপুৰৰ লোকনির্মাণ বিভাগৰ সন্মিলন আৰু প্রশিক্ষণ কেন্দ্রত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি পশুপালন আৰু পশু চিকিৎসা মন্ত্রী নীলিমা দেৱীয়ে দুগ্ধ খণ্ডৰ বিকাশ আৰু গোপালকসকলৰ আর্থসামাজিক উন্নয়নত গুৰুত্ব আৰোপ কৰে। দুগ্ধ উৎপাদনৰ ক্ষেত্রত অসমক দেশৰ এখন আগশাৰীৰ ৰাজ্য হিচাপে প্রতিষ্ঠা কৰাৰ কাৰণে ৰাজ্য চৰকাৰে সংকল্প গ্রহণ কৰিছে বুলি মন্ত্রীগৰাকীয়ে উল্লেখ কৰে। ভাৰত সম্প্রতি বিশ্বৰ সর্ববৃহৎ দুগ্ধ উৎপাদনকাৰী দেশ বুলি উল্লেখ কৰি শ্রীমতী দেৱীয়ে এই সাফল্যৰ আঁৰত লাখ লাখ দুগ্ধ পামৰ কৃষকৰ কঠোৰ পৰিশ্রম নিহিত হৈ আছে বুলি মন্তব্য কৰে।

০০০০০০

এছিয়া কাপ ৰাইজিং ষ্টাৰ প্রতিযোগিতাৰ প্রথমখন ছেমিফাইনেলত আজি ভাৰত-এ শ্রীলংকা-এক জয়ৰ বাবে ৩১৮ ৰানৰ লক্ষ্য বান্ধি দিছে। দোহাত চলি থকা খেলখনত টচত জিকি ভাৰতে নির্ধাৰিত অ'ভাৰত ৮টা উইকেট হেৰুৱাই ৩১৭ৰান সংগ্রহ কৰে। ভাৰতৰ হৈ অভিষেক শর্মাই সর্বাধিক ৭৮ৰান সংগ্রহ কৰে।

০০০০০০

সমাপ্ত